REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 5-10-2023
Time : 1845 Hrs.

**ASSAMESE EVENING BULLETIN**

**HEADLINE**

১। ৰাজ্য চৰকাৰৰ এক লাখ চাকৰি প্ৰদান কাৰ্যসূচীৰ অধীনত দ্বিতীয় পৰ্যায়ৰ নিযুক্তি প্ৰক্ৰিয়া অতি সোনকালে আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ বাক্সাত মন্তব্য।

২। ছিক্কিমৰ মংগনত ডাৱৰ বিস্ফোৰণৰ বাবে সৃষ্টি হোৱা আকস্মিক বানত ১৮ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে প্ৰায় ১০০ জন লোক সন্ধানহীন। সেনা বাহিনীত কৰ্মৰত অসমৰ জোৱান মিটু কলিতাও সন্ধানহীন।

৩। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত নৱীকৰণযোগ্য শক্তি আধাৰিত আঁচনিৰ ক্ষেত্ৰত ৰাজ সাহায্যৰ পৰিমাণ ৪০ৰ পৰা ৬৫ শতাংশলৈ বৃদ্ধি কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰৰ ঘোষণা।

৪। এদিনীয়া বিশ্বকাপৰ ক্ৰিকেটৰ আজি প্ৰথমখন খেলত নিউজিলেণ্ডক জয়ৰ বাবে ইংলেণ্ডৰ ২৮৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

*আৰু*

৫। চীনত অনুষ্ঠিত এছিয়ান গেমছৰ পুৰুষ আৰ্চাৰীৰ দলটোৱে আজি সোণৰ পদক অৰ্জন।

০০০০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ চাকৰি প্ৰদান কাৰ্যসূচীৰ অধীনত দ্বিতীয় পৰ্যায়ৰ নিযুক্তি প্ৰক্ৰিয়া অতি সোনকালে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত এই কথা জানিবলৈ দিয়ে। পৰহিলৈ আৰক্ষী বিভাগত প্ৰায় চাৰে পাঁচ হাজাৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশ পোৱাৰ লগতে চলিত মাহত চৰকাৰৰ আন আন বিভাগত খালী থকা প্ৰায় ১৫ হাজাৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশ পাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আনহাতে, অহা ১১ আৰু ১২ অক্টোবৰত অৰুণোদয় আঁচনিৰ অধীনত ৭ লাখ নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ লগতে মাইক্ৰ'ফাইনেন্সৰ অধীনত ২৫ হাজাৰ টকালৈকে ঋণ লোৱা মহিলাসকলৰ ঋণ মাফ কৰা হ'ব। এই মহিলাসকলে ঋণ মাফৰ পিছত এন অ' চি লাভ কৰাৰ লগতে ভৱিষ্যতে ঋণ ল'ব পাৰিব। একে সময়তে ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ নৱম শ্ৰেণীত পঢ়ি থকা ছাত্ৰীসকলৰ মাজত চাইকেল বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০০০০০

ছিক্কিমৰ মংগনত ডাৱৰ বিস্ফোৰণৰ বাবে সৃষ্টি হোৱা তিস্তা নৈৰ আকস্মিক বানত ১৮ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ২২ গৰাকী সেনা জোৱানসহ প্ৰায় ১০০ জন লোক সন্ধানহীন হৈ আছে। ইয়াৰ ভিতৰত অসমৰ এজন সেনা জোৱানো আছে। জোৱানজন বাক্সাৰ আনন্দ বজাৰৰ মিতু কলিতা বুলি জানিব পৰা গৈছে। আনহাতে এই বানত ২৬ জন লোক আঘাতপ্ৰাপ্ত হৈছে। চৰকাৰী তথ্য অনুসৰি ছিক্কিমৰ আকস্মিক বানত ৰাজ্যখনৰ প্ৰায় ২২ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। তিস্তাৰ প্ৰবল বানে ১১ খনকৈ দলং উটুৱাই নিছে। প্ৰশাসনে চলোৱা উদ্ধাৰ অভিযানত প্ৰায় ২ হাজাৰ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হৈছে। ভাৰতীয় সেনা বাহিনীয়ে পৰ্যটক আৰু চুংথাং, লাচুং, লাছেন অঞ্চলৰ স্থানীয় ৰাইজলৈ স্বাস্থ্য আৰু

টেলিফোনিক সেৱা আগবঢ়াইছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে আজি এখন জৰুৰী বৈঠকত ৰাজ্যখনৰ বান পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰে সেনা বাহিনীৰ সহযোগত সাহায্য আৰু পুনৰ সংস্থাপন প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই বৈঠকতে ৰাজ্যখনৰ আকস্মিক বান সন্দৰ্ভত বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ ব্যক্তি, বিজ্ঞানী, অভিযন্তা আদিক লৈ এখন উচ্চ পৰ্যায়ৰ সমিতি গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই সমিতিয়ে শেহতীয়া দুৰ্যোগ সম্পৰ্কে অধ্যয়ন কৰাৰ লগতে ভৱিষ্যতে এই দুৰ্যোগৰ সন্মুখীন হ'লে ল'বলগীয়া কাৰ্যপন্থা সন্দৰ্ভত পৰামৰ্শ দিব। শ্ৰীটাৰাঙে ৰাজ্যখনত অত্যাৱশ্যাকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত ৰখাৰ লগতে ৰেংপো, চিংতাম আৰু মংগনত ওজৰ-আপত্তি দাখিলৰ বাবে ক্ষতিপূৰণ কেন্দ্ৰ স্থাপন কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি মংগন, গেংটক, পাকয়ং আৰু নামচি জিলাত সকলো চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান কাইলৈৰ পৰা পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত বন্ধ থাকিব বুলি ঘোষণা কৰা হৈছে।

আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত এন ডি আৰ এফৰ দ্বিতীয় বেটেলিয়ানৰ কমাণ্ডেণ্ট গুৰমিন্দৰ সিঙে কয় যে, বানপানী অধ্যুসিত অঞ্চলসমূহত প্ৰয়োজন সাপেক্ষে উদ্ধাৰ অভিযান অধিক তীব্ৰ কৰি তোলা হ'ব।

এই বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সুবিধাৰ বাবে ছিক্কিম আৰক্ষীয়ে কেইবাটাও হেল্পলাইন নম্বৰ মুকলি কৰিছে। বানত আৰ্তজনক উদ্ধাৰৰ বাবে মুকলি কৰা হেল্পলাইন নম্বৰকেইটা হৈছে- 03592202892, 03592221152 আৰু 8001763383। একেসময়তে জৰুৰীকালীন সেৱাৰ বাবে আৰ্তজনে 112 নম্বৰতো ফোন কৰিব পাৰিব।

আনহাতে ছিক্কিমৰ শোচনীয় বান পৰিস্থিতিৰ লগে লগে পশ্চিমবংগৰ উত্তৰ অংশতো ঠায়ে ঠায়ে বান পৰিস্থিতিৰ অৱনতি ঘটিছে। ৰাজ্যখনৰ দাৰ্জিলিং আৰু কালিমপঙৰ লগতে জলপাইগুৰি আৰু আলিপুৰদুৱাৰত বানত বিস্তৰভাৱে ক্ষতিগ্ৰস্ত হৈছে। আনহাতে উত্তৰ দিনাজপুৰ, দক্ষিণ দিনাজপুৰ আৰু কোচবিহাৰ জিলাত তিস্তা নদী ওফন্দি উঠাৰ ফলত বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে।

ইপিনে, অসমতো বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৪৮ ঘণ্টাৰ বাবে অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে।

০০০০০০০০০

নতুন দিল্লীত আজি কেন্দ্ৰীয় চৰকাৰৰ শক্তি, নতুন আৰু নবীকৰণ যোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী ৰাজকুমাৰ সিঙৰ অধ্যক্ষতাত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ শক্তি বিজ্ঞান প্ৰযুক্তি তথা জলবায়ু পৰিৱৰ্তন মন্ত্ৰীসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলত নতুন তথা নবীকৰণ যোগ্য শক্তি বহুল ব্যৱহাৰত উদগনি যোগোৱাৰ বাবে ফলপ্ৰসূ কাৰ্য ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। উত্তৰ-পূৰৰ ৰাজ্য কেইখনে জনোৱা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্ত্ৰালয়ৰ তৰফৰ পৰা ৰাজ্য কেইখনৰ বাবে অধিক পৃষ্ঠপোষকতাৰ লগতে বিশেষ ৰেহাই মূলক ব্যৱস্থা সংযোজন কৰি নতুন আঁচনি কাৰ্যকৰি কৰা হ'ব বুলি ঘোষণা কৰে। ইয়াৰ লগতে অসমকে ধৰি উত্তৰ-পূৰৰ অন্যান্য ৰাজ্য কেইখনৰ বাবে সৌৰশক্তি আৰু সেউজ শক্তিৰ দৰে নবীকৰণ যোগ্য শক্তি আধাৰিত আঁচনিৰ ক্ষেত্ৰত ৰাজ্য সাহায্যৰ পৰিমাণ বৰ্তমানৰ ৪০ শতাংশৰ পৰা ৬৫ শতাংশলৈ বৃদ্ধিৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অনুমোদন জনাইছে। বৈঠকত ৰাজ্যৰ শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচাৰ উপৰি উত্তৰ-পূৰৰ আটাইকেইখন ৰাজ্যৰ সংশ্লিষ্ট দপ্তৰৰ মন্ত্ৰীসকল উপস্থিত থাকে।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাত উপস্থিত হৈ এখন জনসভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তামুলপুৰৰ জাৰতালুকত পাগলাদিয়া নৈৰ ওপৰত নিৰ্মিত এখন পকী দলঙৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছত জনসভাত অংশ লৈ এই দলঙখনৰ ফলত জিলাখন যাতায়াত ব্যৱস্থা সুচল হোৱাৰ লগতে সময় ৰাহি হ'ব বুলি তেখেতে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে ২৯ কোটি টকা ব্যয় সাপেক্ষে ২০২১ চনত নিৰ্মাণকাৰ্য আৰম্ভ হোৱা এই দলংখনৰ ফলত অঞ্চলটোৰ প্ৰায় ২৫ হাজাৰ লোক উপকৃত হ'ব।

আনহাতে, মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বাক্সা জিলাৰ বাথৌফুৰিত প্ৰায় ৪৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা ক্ৰীড়া ষ্টেডিয়াম আৰু ছুইমিং পুলৰো শুভ উদ্বোধন কৰে। সভাত মুখ্যমন্ত্ৰীয়ে বাক্সা জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ বাবে ২৫ কোটি আৰু আৱৰ্ত ভৱনৰ বাবে ৫ কোটি টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

০০০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি গুৱাহাটীৰ বশিষ্ঠত অসম ৰাজ্যিক তথ্য কেন্দ্ৰ উদ্বোধন কৰে। জলসম্পদ বিভাগৰ অধীনত অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠান সমিতিৰ দ্বাৰা স্থাপন কৰা এই কেন্দ্ৰটোৱে বতৰ আৰু বানৰ ক্ষেত্ৰত পূৰ্বানুমানৰ সুবিধা দিব। মন্ত্ৰীগৰাকীয়ে কয় যে, ইয়াৰ ফলত বান বা বতৰ সম্পৰ্কে আগতীয়া অনুমান কৰি বান প্ৰতিৰোধী ব্যৱস্থা কাৰ্যক্ষম কৰি তুলিব পৰা যাব।

০০০০০০০০০

ৰাজ্যৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সমগ্ৰ শিক্ষা অসমে এহেজাৰ ৭৭০ খন বিদ্যালয়লৈ ১৩৭ কোটি ৪৭ লাখ টকা মোকলাই দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, এই ধনেৰে বিদ্যালয়সমূহত অতিৰিক্ত শ্ৰেণী কোঠা, প্ৰস্ৰাৱগাৰ, বৈদ্যুতিকীকৰণ আদিৰ দ্বাৰা আন্তঃগাঁথনি উন্নয়ন সম্ভৱ হৈ উঠিব।

০০০০০০০০০

নৰোৱেৰ লেখক, নাট্যকাৰ জন ফচলৈ চলিত বছৰৰ সাহিত্যৰ নবেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। ৬৪ বছৰীয়া ফচে উপন্যাস, গল্প, কবিতা, শিশু উপযোগী সাহিত্য আদি ৰচনা কৰিছে। লেখকগৰাকীয়ে তেওঁৰ উদ্ভাৱনমূলক নাটক আৰু গদ্য ৰচনাৰে মানুহৰ মনৰ অস্ফুট কথাক তুলি ধৰাৰ স্বীকৃতি স্বৰূপে এই বঁটা আগবঢ়োৱা হৈছে। ইউৰোপৰ বিভিন্ন অঞ্চলত লেখাৰে জনপ্ৰিয়তা অৰ্জন কৰা ফচে ক্ৰমান্বয়ে সমগ্ৰ বিশ্ব ইংৰাজী ভাষা-ভাষী জনসাধাৰণৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰে। ১৯৮৩ চনত ৰেড-ব্লেক নামৰ উপন্যাসেৰে জন ফচে উপন্যাসিক হিচাপে যাত্ৰা আৰম্ভ কৰিছিল।

০০০০০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। এই অনুসৰি অহা ১ নৱেম্বৰৰ পৰা অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া আৰম্ভ হব। ৩০ নৱেম্বৰ প্ৰ-পত্ৰ পূৰণৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। এই সন্দৰ্ভত শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰকে কালি এখন অধিসূচনা জাৰি কৰে। এই অধিসূচনাত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ শিক্ষানুষ্ঠানৰ মুৰববীক নিৰ্দেশ দিয়া হৈছে। ইপিনে, পিতৃ মাতৃৰ বাৰ্ষিক আয়

২ লাখ বা তাতকৈ কম হ'লে এনে পৰিয়ালৰ পৰিক্ষাৰ্থীয়ে কেন্দ্ৰ মাচুল নইবা পৰীক্ষা মাচুল ৰেহাই পাব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে।

০০০০০০০০০

অসম লোকসেৱা আয়োগে পৰীক্ষা সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ ঘোষণা আগবঢ়াইছে। কালি এই সন্দৰ্ভত জাৰী কৰা এটা বিবৃতিত  আয়োগে উল্লেখ কৰিছে যে, চলিত বৰ্ষৰ অক্টোবৰৰ শেষৰ ফালে ২০২২ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ ফলাফল ঘোষণাৰ সম্ভাৱনা আছে। মৌখিক সাক্ষাৎকাৰ প্ৰক্ৰিয়া অহা নৱেম্বৰ মাহৰ প্ৰথম ভাগত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে ২০২৪ চনৰ মাৰ্চ মাহৰ শেষৰফালে পৰৱৰ্তী সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত কৰা হ'ব বুলি আয়োগে উল্লেখ কৰিছে। উল্লেখযোগ্য যে, অসম লোকসেৱা আয়োগে বিগত ৮ আৰু ১০ জুলাইত ৰাজ্যৰ নিৰ্দিষ্ট মণ্ডলসমূহত মূল পৰীক্ষা অনুষ্ঠিত কৰিছিল। এইবাৰৰ পৰীক্ষা ৯১৩টা পদৰ বাবে অনুষ্ঠিত হৈছে।

০০০০০০০০০

শিৱসাগৰ জিলাৰ নাজিৰাত বিহুবৰ গাঁও পঞ্চায়তত আজি মেৰি মাটি, মেৰি দেশ কাৰ্যসূচী গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে ৰূপায়িত এই কাৰ্যসূচীত আত্মসহায়ক গোটৰ মহিলাসকলে শোভাযাত্ৰা উলিয়াই গাঁৱৰ বিভিন্ন প্ৰান্তৰ পৰা সংগ্ৰহ কৰি অনা মাটি কলহত জমা কৰি দিল্লীলৈ প্ৰেৰণ কৰাৰ বাবে বিহুবৰ পঞ্চায়তত জমা কৰে। এই কাৰ্যসূচীত মহকুমা প্ৰশাসনৰ বিষয়ববীয়া, গাঁও পঞ্চায়তৰ সভানেত্ৰীকে ধৰি সদস্যসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। কৰিমগঞ্জ জিলাত আজি বিজেপিৰ শন্দিল বৰিগ্ৰাম মণ্ডলৰ উদ্যোগত সন্যাসীবাৰীৰ পৰা অমৃত কলহ যাত্ৰা কৰা হয়। এই যাত্ৰা কুড়ীশাল গাঁৱত সামৰণি পৰে। চৰাইদেউ জিলাৰ নিমনাগড়, দিচাংপানী আৰু নিজখালৈঘগুৱা গাঁও পঞ্চায়ত এলেকাত সংগ্ৰহ কৰা মাটিৰ কলহসমূহ আজি তিনিখন গাঁও পঞ্চায়তৰ কাৰ্যলয়ত জমা কৰা হয়। এই উপলক্ষে উলিওৱা শোভাযাত্ৰাত ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। মেৰি মাটি, মেৰি দেশ কাৰ্যসূচীৰ অধীনত শোণিতপুৰ জিলা প্ৰশাসনে জিলাখনৰ ৮২টা স্থানত যোৱা ২ অক্টোবৰৰ পৰা অহা ৯ অক্টোবৰলৈ অমৃত কলহ যাত্ৰাৰ আয়োজন কৰিছে। অমৃত কলহ যাত্ৰা অভিযানৰ পৰিপ্ৰেক্ষিতত শোণিতপুৰ জিলাৰ বিভিন্ন পঞ্চায়তত মাটি সংগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজিৰ কাৰ্যসূচীত সাংসদ পল্লৱ লোচন দাসৰ লগতে বিধায়ক পৃথ্বীৰাজ ৰাভা আৰু গণেশ কুমাৰ লিম্বুয়ে নিজ নিজ সমষ্টিত এই যাত্ৰাত অংশগ্ৰহণ কৰে।

০০০০০০০০০

যোৱানিশাৰে পৰা হোৱা নেৰা-নেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চল বানৰ কবলত পৰিছে। মহানগৰীখনৰ অনিল নগৰ, নবীন নগৰ, হাতীগাঁও, ৰুক্মিনীগাঁও, অনুৰাধাকে ধৰি ভালেমান অঞ্চল বুৰ গৈছে। ইয়াৰ ফলত কোনো কোনো অঞ্চলত জনসাধাৰণৰ আহ-জাহ অসুবিধা হোৱাৰ লগতে জনজীৱন ব্যাহত হৈ পৰিছে। বিশেষকৈ অনিল নগৰ, নবীন নগৰত জনসাধাৰণৰ যাতায়তৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে। প্ৰশাসনে পাম্পৰে পানী নিষ্কাষণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। গুৱাহাটীৰ গীতানগৰ থানাৰ চৌহদো পানীত বুৰ গৈছে। ইপিনে জু-নাৰেংগী ৰোডৰ ভাস্কৰ নগৰত সংঘটিত ভূমিস্খলনৰ ঘটনাত এটা পৰিয়ালৰ বাসগৃহৰ ক্ষতি হয়। অৱশ্যে এই ঘটনাত কোনো লোক হতাহত হোৱা নাই।

০০০০০০০০০

গোলাঘাট জিলাৰ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা টাই আহোম যুৱ পৰিষদৰ সপ্তম কেন্দ্ৰীয় অধিৱেশন আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈছে। আজি মূল তোৰণ উদ্বোধন আৰু বানফি পূজাৰে তিনিদিনীয়া

কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে সাংস্কৃতিক সমাৰোহত পৰহিলৈ ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰায় ১ লাখ লোকৰ সমাগম ঘটিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট শিল্পীয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰিব।

০০০০০০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি পুৰুষৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেল অনুষ্ঠিত হৈছে। নিউজিলেণ্ড আৰু ইংলেণ্ডৰ মাজত চলি থকা খেলখনত প্ৰথমে বেট ধৰি ইংলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেটৰ বিনিময়ত ২৮২ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ইংলেণ্ডৰ হৈ জ' ৰুটে ৭৭ ৰান আৰু জজ বাটলাৰে ৪৩ ৰানৰ বৰঙনি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ মেট হেনৰিয়ে ১০ অভাৰত ৪৮ ৰান দি তিনিটা উইকেট দখল কৰে। আনহাতে লেগ স্পিনাৰ মিছেল ছেণ্টনাৰে ১০ অভাৰত ৩৭ ৰান দি ২ উইকেট দখল কৰিবলৈ সক্ষম হয়। আনহাতে বাতৰি যুগুটোৱা পৰলৈকে নিউজিলেণ্ডে ৮ অভাৰত ১ উইকেটৰ বিনিময়ত ৬৩ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০০০

চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈ ভাৰতে ২১টা সোণ, ৩১ ৰূপ আৰু ৩২টা ব্ৰঞ্জসহ মুঠ ৮৪টা পদক লাভ কৰিছে। পদক তালিকাত ভাৰত বৰ্তমান চতুৰ্থ স্থানত আছে। এছিয়ান গেমছৰ ইতিহাসত এয়া ভাৰতৰ বৰ্তমানলৈ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰ পূৰ্বে জাকাৰ্টাত অনুষ্ঠিত অষ্টদশ এছিয়ান গেমছ প্ৰতিযোগিতাত ভাৰতে ৭০টা পদক লাভ কৰিছিল। আজি প্ৰতিযোগিতাৰ দ্বাদশ দিনা ভাৰতীয় পুৰুষ আৰ্চাৰীৰ দলটোৱে কম্পাউণ্ড শাখাত দক্ষিণ কোৰিয়াক পৰাস্ত কৰি সোণৰ পদক দখল কৰে। আনহাতে জ্যোতি, পৰনীত আৰু অদিতিৰ তিনিজনীয়া যুটীটোৱে মহিলা আৰ্চাৰীৰ কম্পাউণ্ড শাখাত সোণৰ পদক অৰ্জন কৰে। দলটোৱে চীনা টাইপেইক ২৩০-২২৮ ফলাফলত পৰাস্ত কৰে। ইফালে দীপিকা পাল্লিকল আৰু হৰিন্দৰ পাল সিঙৰ যুটিটোৱে আজি স্কোৱাছৰ মিক্সড ডাবলছ শাখাৰ ফাইনেলত মালয়েছিয়াৰ যুটীটোক পৰাস্ত কৰি সোণৰ পদক দখল কৰিছে। কাবাদীত ভাৰতৰ পুৰুষ দলটোৱে জাপানৰ দলটোক গ্ৰুপ-এৰ এখন খেলত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

ইপিনে, মহিলাৰ মল্লযুদ্ধত ৫০ কিলোগ্ৰাম শাখাত পূজা গেহলটে ছেমিফাইনেলত কানাডাৰ প্ৰতিদ্বন্দ্বীৰ হাতত ৬-৯ ফলাফলত পৰাজয় বৰণ কৰে। এতিয়া খেলুৱৈগৰাকীয়ে ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বেডমিণ্টনত ভাৰতৰ এইছ এছ প্ৰণয়ে মালয়েছিয়াৰ লী জি জিয়াক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ইপিনে, ৫৭ কিলোগ্ৰাম শাখাত মানচিয়ে কোৰিয়াৰ খেলুৱৈৰ বিৰুদ্ধে ২-০ ফলাফলত জয়লাভ কৰে। আজি প্ৰতিযোগিতাৰ দ্বাদশ দিনা কেইবাটাও শাখাৰ খেল অনুষ্ঠিত হ'ব। আনহাতে ভাৰতৰ মহিলাৰ হকী দলটো ছেমিফাইনেলত চীনৰ মুখামুখি হ'ব। আজি মল্লযুদ্ধ, দবা, ৰ'লাৰ্ছ স্কেটিং শাখাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব য'ত ভাৰতৰ খেলুৱৈসকলে উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়াব বুলি আশা কৰা হৈছে।

০০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে বিশ্বনাথ, হোজাই আৰু তামুলপুৰ জিলাৰ পৰা অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে ২০ অক্টোবৰৰ ভিতৰত আবেদন-পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থী স্নাতকোত্তৰ ডিপ্লমা, সাংবাদিকতাৰ স্নাতক বা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব।

বয়স ২৪ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। লগতে প্ৰাৰ্থী জিলা মুখ্য কাৰ্যালয়ৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত থকা হ'ব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীৰ ন্যূনতম দুবছৰৰ সাংবাদিকতাৰ অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW.NEWSONAIR.GOV.IN ত এই বিষয়ে সবিশেষ তথ্য লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় আবেদন পত্ৰ ডাউনল'ড কৰিব পাৰিব। ইচ্ছুক প্ৰাৰ্থীয়ে একপি পাছপৰ্ট আকাৰৰ ফটোসহ স্ব-প্ৰত্যায়িত নথি ২০ অক্টোবৰৰ ভিতৰত ডাকযোগে অথবা নিজে আকাশবাণী গুৱাহাটীৰ চানমাৰি কাৰ্যালয়ত জমা দিব লাগিব। আবেদনপত্ৰসমূহ Head Of Office, **আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী-৭৮১০০৩**লৈ প্ৰেৰণ কৰিব লাগিব।

০০০০০০০০০

সমাপ্ত